# প্ৰভুৰ উদ্ধাৰৰ পথ

মোক এজন উদ্ধাৰকৰ্তাৰ আৱশ্যক কাৰণ সকলোৱে পাপ কৰিলে আৰু ঈশ্বৰৰ মহিমাৰ পৰা বঞ্চিত হৈছে। ৰোমী ৩:২৩

কিন্তু তোমালোকৰ অপৰাধবোৰেই তোমালোকৰ ঈশ্বৰৰপৰা তোমালোকক বিচ্ছেদ কৰিছে। যিচয়া ৫৯ : ২

**খ্ৰীষ্ট মোৰ কাৰণে মৰিল কাৰণ,** আমাক ঈশ্বৰৰ ওচৰলৈ নিবলৈ, অধাৰ্মিক বিলাকৰ কাৰণে ধাৰ্মিকজনাই, অৰ্থাৎ খ্ৰীষ্টে পাপবোৰৰ কাৰণে কেৱল এবাৰ দুখভোগ কৰিলে।

১ পিতৰ ৩:১৮

**মই নিজৰ পাপক স্বীকাৰ কৰিব লাগে।** যি মানুহে নিজৰ অপৰাধ ঢাকে, তাৰ কল্যাণ নহ'ব; কিন্তু যি কোনোৱে তাক স্বীকাৰ কৰি ত্যাগ কৰে তেওঁ কৃপা পাব। হিতো ২৮:১৩

এতেকে মন পালটাই ঘূৰি আহাঁ, যেন তোমালোকৰ পাপ মোচন হয়।

পাঁচনি কৰ্ম ৩:১৯ ক

**বিশ্বাসৰ যোগেদি মই যীচুক পাব লাগে।** তথাপি যিমান মানুহে তেওঁক গ্ৰহণ কৰিলে, অৰ্থাৎ তেওঁৰ নামত বিশ্বাস কৰিলে, সেই সকলোকে ঈশ্বৰৰ সন্তান হ'বলৈ তেওঁ ক্ষমতা দিলে। যোহন ১:৪২

**মোৰ উদ্ধাৰ নিশ্চিত** যিজনে পুত্ৰক পালে তেওঁৰ জীৱন আছে ১ যোহন ৫:১২ ক

মই তোমালোকক অতি স্বৰূপকৈ কওঁ, যিজনে মোৰ কথা শুনি মোক পঠোৱা জনাত বিশ্বাস কৰে, সেইজনৰ অনন্ত জীৱন আছে, আৰু তেওঁ সোধ বিচাৰলৈ আহিব নালাগে; কিন্তু মৃত্যুৰ পৰা জীৱনলৈ পাৰ হ'ল।যোহন ৫:২৪

